**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-04-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

মণিপুৰত শান্তি স্থাপনৰ লক্ষ্যৰে কালি নতুন দিল্লীত এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰ সৈতে মণিপুৰৰ মেইতেই আৰু কুকী সংগঠনৰ প্ৰতিনিধিৰ লগতে নাগৰিক সমাজৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ হৈ বিশেষ মধ্যস্থতাকাৰী হিচাপে চোৰাংচোৱা সংস্থাৰ অৱসৰপ্ৰাপ্ত সঞ্চালক এ কে মিশ্ৰই বৈঠকত অংশ লয়। এই বৈঠকত ৰাজ্যখনলৈ শান্তি উভতাই অনাৰ বাবে গ্ৰহণ কৰিবলগীয়া পন্থা সন্দৰ্ভত আলোচনা কৰাৰ লগতে কুকী আৰু মেইতেই সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক সহযোগিতা অক্ষুণ্ণ ৰখাত গুৰুত্ব আৰোপ কৰা হয়। এই বৈঠকৰ পূৰ্বে বৃহস্পতিবাৰে লোকসভাত মণিপুৰক লৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই দিনাই গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনত শান্তি স্থাপনৰ বাবে মণিপুৰৰ বিভিন্ন সংগঠনৰ সৈতে চৰকাৰে যোগাযোগ ৰক্ষা কৰা বুলি প্ৰকাশ কৰিছিল।

০০০০০০

গুৱাহাটীৰ শিলসাঁকো বিলক পুনৰুজ্জীৱিত কৰা আৰু প্ৰদূষণমুক্ত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ অধীনত সামৰি লোৱা হৈছে। এই প্ৰকল্পৰ বাবে ২৩৭ কোটি টকা ব্যয় কৰা হ'ব আৰু ইয়াৰ ভিতৰত ২১৩ কোটি ৩০ লাখ টকা কেন্দ্ৰীয় চৰকাৰে আগবঢ়াব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰী চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমত প্ৰকাশ পোৱা এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে দখলৰ পৰা মুক্ত কৰাৰ দিশত ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাৰ পাছত কেন্দ্ৰীয় সাহায্যৰে এই আদ্ৰভূমি অধিক পুনৰুজ্জীৱিত কৰা হয়।

০০০০০০

যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহত কালিৰে পৰা অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক যোৰহাট সাহিত্য উৎসৱৰ আজি সামৰণি পৰিব। কালি কাৰ্যসূচীৰ অংশ হিচাপে নিৰোদ চাংকাকতি ন্যাসৰ সৌজন্যত **অসমীয়া কাকত আলোচনীৰ ভৱিষ্যত আৰু পাঠকৰ দায়িত্ব** শীৰ্ষক আলোচনা অনুষ্ঠিত হয়। আলোচনাত মুখ্য বক্তা হিচাপে অংশ লৈ যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সুমিত্ৰ পূজাৰীয়ে বাতৰি কাকতক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ বাবে খবৰৰ বস্তুনিষ্ঠ বিশ্লেষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানটো উদ্বোধন কৰি অসম সাহিত্য সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে ছপা মাধ্যমৰ জনপ্ৰিয়তা অক্ষুণ্ণ থাকিব বুলি প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ স্নাতক মহাবিদ্যালয়সমূহত থকা উচ্চতৰ মাধ্যমিক শাখাৰ শ্ৰেণী দুটা অহা ৫ বছৰ পৰ্যন্ত ৰখা হ'ব। এই সময়ছোৱাতে উচ্চ মাধ্যমিক বিদ্যালয়সমূহ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰি একাদশ আৰু দ্বাদশ শ্ৰেণী সংযোজন কৰা হ'ব যাতে মহাবিদ্যালয়সমূহৰ পৰা এই শ্ৰেণী দুটা আঁতৰাই দিয়াৰ ফলত

তাৎক্ষণিকভাৱে ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন নহয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঢকুৱাখনাত অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক ৰাজ্যিক অধিৱেশনত অংশ লৈ কালি এই কথা প্ৰকাশ কৰে। অধিৱেশনত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অসম বিজ্ঞান সমিতিয়ে ৰাজ্যখনত যোৱা সাতটা দশক ধৰি নিৰৱচ্ছিন্নভাৱে বিজ্ঞান শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিজ্ঞান মনস্কতা গঢ় দিয়াৰ বাবে কৰি অহা কামৰ প্ৰশংসা কৰে। তেওঁ লগতে অনাগত সময়ত ৰাজ্য চৰকাৰৰ লগত সহযোগিতাৰে জৈৱ বৈচিত্ৰ ৰক্ষাকে ধৰি অন্যান্য কাম-কাজত সক্ৰিয়ভাৱে জড়িত হ'বলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে আয়ুষ মন্ত্ৰালয়ৰ অৰুণাচল প্ৰদেশৰ পাচিঘাটত থকা নৰ্থ-ইষ্টাৰ্ণ ইনষ্টিটিউট অৱ আয়ুৰ্বেদ এণ্ড ফ'ক মেডিচিন ৰিছাৰ্চৰ উদ্যোগত স্বাস্থ্য গৱেষণা অনুষ্ঠান আৰু মুগা শিল্প বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত হয়। কালিৰ কাৰ্যসূচীত অধিৱেশন উপলক্ষে প্ৰকাশিত স্মাৰক গ্ৰন্থ **বীক্ষণ** উন্মোচন কৰে।

০০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা বিবাদ বৰ্তমান ব্যৱস্থাৰ অধীনত সম্পূৰ্ণৰূপে সমাধান কৰা হ'ব। অৰুণাচল প্ৰদেশৰ আলোত আয়োজিত ৫৯ সংখ্যক মপিন উৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এইদৰে মন্তব্য কৰে। ২০২৬ চনত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন কৰা হব বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ড° ভূপেন হাজৰিকাৰ অৰুণাচল প্ৰদেশৰ প্ৰতি থকা আন্তৰিকতাৰ বাবে অসম চৰকাৰে অৰুণাচলতো এই শতবাৰ্ষিকী পালন কৰিবলৈ ইচ্ছুক। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ প্ৰতি তেওঁ আহ্বান জনায়। ড০ শৰ্মাই কয়, যে এটা সময়ত উত্তৰ পূৰ্বাঞ্চলক অবহেলিত অঞ্চল বুলি গণ্য কৰা হৈছিল কিন্তু ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ষমতালৈ অহাৰ পাছত অঞ্চলটোত দ্ৰুত পৰিৱৰ্তন সাধন হৈছে। আগন্তুক ২০ বছৰত অঞ্চলটোত বৃহৎ পৰিৱৰ্তন সাধন হ'ব বুলিও তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে মপিন উৎসৱলৈ তেওঁক আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু গালো জনগোষ্ঠীয় আয়োজক মণ্ডলীক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০

জিকিৰৰ প্ৰসিদ্ধ শিল্পী প্ৰয়াত ৰেকিবুদ্দিন আহমেদৰ সোঁৱৰণত গঢ় লৈ উঠা জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী জিকিৰ-জাৰী চৰ্চা আৰু গৱেষণা মঞ্চ অসমৰ উদ্যোগত কালি শিৱসাগৰৰ যুৱদলত বিশেষ স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত লোক সংস্কৃতিৰ সাধক ড০ অনিল শইকীয়াই জিকিৰৰ সাংগীতিক সৌন্দৰ্য শীৰ্ষক বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানতে লোকশিল্পী তথা সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক তৰাৱতী বড়িক ২০২৪-২৫ বৰ্ষৰ ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে জিকিৰ শিল্পী ছামছুদ্দিন আহমেদক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। জিকিৰ-জাৰী প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিৰলসভাৱে কাম কৰি যোৱা অসমৰ ভিন্ন প্ৰান্তৰ শিল্পীকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

০০০০০০

ৰাজস্থান ৰয়েলছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ কিংছক ৫০ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলচে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে ৬৭ ৰাণৰ বৰঙণি আগবঢ়ায় আৰু ৰিয়ান পৰাগে ৪৩ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাঞ্জাবৰ লাকী ফাৰ্গুছনে ২টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত পাঞ্জাৱ কিংছে ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ নেহল ৱাধেৰাই সংঘৰ্ষপূৰ্ণ ৬২ ৰান কৰে। ৰাজস্থানৰ হৈ জোফ্ৰা আৰ্ছাৰে ৩টা উইকেট লাভ কৰে। আৰ্ছাৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

সমাপ্ত